## National Literacy Mission (ৰাষ্ট্ৰীয় সাক্ষৰতা মিচন) ঃ

১৯৮৮ চনৰ মে' মাহতৰ ৫ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিচন অভিযান আৰম্ভ কৰা হয়। এই মিচনৰ প্ৰধান উদ্দেশ্য আছিল দেশৰ ১৫ বছৰ বয়সৰ পৰা ৩৫ বছৰ বয়সৰ ভিতৰত থকা সকলো নিৰক্ষৰ লোকক ১৯৯৫ চনৰ ভিতৰত সাক্ষৰতা প্ৰদান কৰাৰ লগতে ক্ৰিয়াত্মক সাক্ষৰতা প্ৰদান কৰা। এই ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান মিচনৰ আন এটা উদ্দেশ্য হ'ল, দেশৰ পিছপৰি থকা অঞ্চলবোৰত বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ ব্যাপক প্ৰয়োগৰ কাৰ্য্যসূচী গ্ৰহণ কৰা।

## ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযানৰ কাৰ্য্যসূচী (Programmes of National Literacy Mission) :—

এই অভিযানৰ দ্বাৰা ব্যক্তিয়ে নিজৰ লগতে পৰিয়ালৰ পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক উন্নয়ণ আদিৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধান কৰিবলৈ যত্ন কৰে। ভিতৰুৱা গাওঁ অঞ্চল বিশেষভাৱে অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ আৰু মহিলাসকলৰ শিক্ষা, তেওঁলোকৰ আৰ্থিক অৱস্থাৰ উন্নতি সাধন কৰা, সৰু পৰিয়াল গঠনৰ প্ৰতি আগ্ৰহী কৰি তোলা, নাৰীসকলৰ সামাজিক স্থান আৰু মানৰ উন্নতি সাধন কৰাৰ বাবে এই সাক্ষৰতা অভিযানে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰে। এই কাৰ্য্যসূচী সমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষৰ উপৰিও বহু সংখ্যক স্বেচ্ছাসেৱী সংগঠনক কৰ্তৃত্ব প্ৰদান কৰা হৈছে।

প্ৰাপ্তবয়স্ক সাক্ষৰতা আৰু কাৰ্য্যকৰী সাক্ষৰতা লাভ কৰিবৰ বাবে এই অভিযানে বিভিন্ন পুথি, পুস্তিকা প্ৰস্তুত আৰু প্ৰকাশ কৰা, প্ৰাপ্তবয়স্ক লোকসকলক শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ বিভিন্ন শিক্ষণ-শিকণ সজুঁলি প্ৰস্তুত কৰা আৰু সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিবলৈ বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰে। এই অভিযানৰ জৰিয়তে প্ৰাপ্তবয়স্ক লোকসকলক শিক্ষিত কৰি তোলাৰ লগতে যুৱক-যুৱতীসকলক, অৱসৰপ্ৰাপ্ত সৈনিকসকল আৰু পঞ্চায়তৰ সদস্যসকলক প্ৰয়োজনীয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰি সমাজ সেৱাত ব্ৰতী কৰি তোলা।

ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযানে জনসাধাৰণক সাক্ষৰতা প্ৰদানৰ ক্ষেত্ৰত দুটা প্ৰধান প্ৰচেষ্টা গ্ৰহণ কৰিছে। এই কেইটা হৈছে :—

১) কেন্দ্ৰভিত্তিক বা আঞ্চলিক প্ৰচেষ্টা

২) প্ৰতিজন লোকেই আন এজন লোকক শিক্ষা দিয়া প্ৰচেষ্টা।

কেন্দ্ৰভিত্তিক বা আঞ্চলিক প্ৰচেষ্টাত স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে প্ৰাপ্তবয়স্ক শিক্ষাদানৰ বাবে কোনো এক বিশেষ অঞ্চল, গাঁও মিউনিচিপেলিটি অথবা জিলা পৰ্য্যায়ত আঁচনি প্ৰস্তুত কৰি তুলিব লাগে। এই প্ৰচেষ্টাৰ কাৰ্য্যসূচী সমূহ এনে ধৰণৰ :—

১) কাৰ্য্য ব্যৱস্থা গ্ৰহণৰ বাবে কোনো এটা অঞ্চল বা গাঁও নিৰ্বাচন কৰি লোৱা।

২) শিক্ষা কেন্দ্ৰ স্থাপন কৰি ~~কেন্দ্ৰ~~ এককোটা কেন্দ্ৰত ৩০ জন লোকক শিক্ষাদান কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা।

৩) প্ৰতিটো কেন্দ্ৰত মাহিলি ২০০ ~~টকাকৈ~~ টকাকৈ জলপানি দি এজন শিক্ষা-নিৰ্দেশক নিযুক্ত কৰা।

৪) কেৰাচিন তেল, লেম্প, কিতাপ-পত্ৰ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱস্থা কৰিব লাগে।

৫) প্ৰতিটো শিক্ষাকেন্দ্ৰৰ শিক্ষা-নিৰ্দেশক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

৬) এটা প্ৰশাসনীয় পৰিচালনা প্ৰস্তুত কৰি তুলিব লাগে।

ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযানটোৰ দ্বিতীয় প্ৰচেষ্টাটো হৈছে প্ৰতিজন লোকেই আন এজন লোকক শিক্ষা দিয়া। এই প্ৰচেষ্টাৰ কাৰ্য্যসূচীসমূহ তলত উল্লেখ কৰা হৈছে —

১) বিশ্ববিদ্যালয়, কলেজ আৰু স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক এই শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে স্বেচ্ছাসেৱী হিচাপে নিযুক্তি দিয়া।

২) প্ৰতিজন স্বেচ্ছাসেৱীয়ে এজন নিৰক্ষৰ লোকক চিনাক্ত কৰি তেওঁক সাক্ষৰ কৰি তুলিবৰ বাবে ন্যূনতম ৪০ ঘণ্টা সময় শিক্ষাদান কৰা।

কিন্তু এই দুয়োটা প্ৰচেষ্টাৰে ৰূপায়ণৰ ক্ষেত্ৰত এই অভিযানে কিছু

অসুবিধাৰ সন্মুখীন হয়। এই অভিযানে নিৰক্ষৰ প্ৰাপ্তবয়স্ক সকলক বিশেষ আকৰ্ষণ কৰিব পৰা নাছিল। প্ৰতিজন লোকে আন এজন লোকক শিক্ষিত কৰি তোলাৰ ক্ষেত্ৰত কিছু সমস্যাই দেখা দিলে। এই অভিযানে অঞ্চলৰ সকলো সম্প্ৰদায়ক একগোট কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হয়। সেইবাবে পৰৱৰ্তী কালত পূৰ্ণ সাক্ষৰতা অভিযান (Total Liteacy Campaign) গ্ৰহণ কৰা হয়।